**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-10-2024 **Time :** 1205 Hrs.

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া উপ-নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ আজি পৰীক্ষণ প্ৰক্ৰিয়া অব্যাহত আছে। এই উপ-নিৰ্বাচনৰ বাবে শাসক-বিৰোধী আৰু নিৰ্দলীয়কে ধৰি মুঠ ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। পৰহিলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

ইপিনে, নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলসমূহে নিজ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অব্যাহত ৰাখিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু স্পেইনৰ প্ৰধানমন্ত্ৰী পেড্ৰো ছানচেজে আজি যুটীয়াভাৱে বাডোদ্ৰাত চি-২৯৫ সামৰিক বিমানৰ বাবে টাটা এয়াৰক্ৰাফ্‌ট কমপ্লেক্স মুকলি কৰে। এয়া হৈছে ভাৰতৰ সামৰিক বিমানৰ বাবে প্ৰথমটো ব্যক্তিগত খণ্ডৰ ফাইনেল এছেম্বলি লাইন। এই কাৰ্যসূচীত টাটাৰ উপৰি ভাৰত ইলেকট্ৰনিকছ লিমিটেড আৰু ভাৰত ডায়নেমিকছ লিমিটেডৰ দৰে প্ৰতিৰক্ষা ৰাজহুৱা খণ্ডৰ অগ্ৰণী গোটসমূহৰ লগতে ব্যক্তিগত ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগসমূহেও অৰিহণা যোগাইছে। বাডোদ্ৰাত উপস্থিত হোৱাৰ পাছতেই দুয়োগৰাকী নেতাই এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰে। ইয়াৰ পাছত নেতা দুগৰাকীৰ মাজত প্ৰতিনিধি পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে টাটা এয়াৰবাছ প্ৰকল্প হৈছে মেক ইন ইণ্ডিয়া পদক্ষেপৰ অধীনত সামৰিক বিমানৰ বাবে গ্ৰহণ কৰা দেশৰ প্ৰথমটো ব্যক্তিগত খণ্ডৰ এৰোস্পেচ প্ৰকল্প। এই প্ৰকল্পই ভাৰত আৰু স্পেইনৰ মাজৰ কৌশলগত প্ৰতিৰক্ষা সম্পৰ্কক সুদৃঢ় কৰিব। ২০২২ চনৰ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাডোদ্ৰা ফাইনেল এছেম্বলি লাইনৰ আধাৰশিলা স্থাপন কৰিছিল।

০০০০০০০

ডি বি ষ্টক ব্ৰাৰ্কিং নামৰ প্ৰতিষ্ঠানখনে অনলাইন ট্ৰেডিঙৰ নামত কেইবা হাজাৰ কোটি টকা লুণ্ঠন চলোৱাৰ অভিযোগত অভিযুক্ত দীপাংকৰ বৰ্মনক কালি গোৱাত অসম আৰক্ষীৰ এটা দলে গ্ৰেপ্তাৰ কৰে। বিগত প্ৰায় আঢ়ৈ মাহ ধৰি পলাতক অৱস্থাত থকা দীপাংকৰক আৰক্ষীয়ে কেইবাখনো ঠাইত অভিযান চলাই পাণবজাৰৰ এ চি পি অমিত মাহাটোৰ নেতৃত্বত আটক কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে ধৃত দীপাংকৰৰ পৰা আৰক্ষীয়ে ২৭ লাখ ৬ হাজাৰ ৭৫০ টকাৰ লগতে সোণৰ অলংকাৰ, কেবাখনো বিলাসী গাড়ী আৰু বাইক জব্দ কৰে।

০০০০০০

যোৱা ২০ অক্টোবৰৰ পৰা বন্ধ হৈ থকা মাজুলীৰ কমলাবাৰী-নিমাতীঘাট জলপথেৰে পুনৰ ফেৰী চলাচল আৰম্ভ কৰাৰ বাবে খনন কাৰ্য চলাই থকা হৈছে। ব্ৰহ্মপুত্ৰৰ জলস্তৰ অস্বাভাৱিকভাৱে হ্ৰাস পোৱাৰ লগতে মাজুলীৰ কমলাবাৰী পাৰঘাটৰ কিছু অংশত নতুনকৈ বালিচৰ পৰা হেতুকে এই ফেৰীসেৱা বন্ধ কৰা হৈছিল। জলপথটোৰ স্পৰ্শকাতৰ অংশত জলস্তৰৰ গভীৰতা বৃদ্ধিৰ বাবে আভ্যন্তৰীণ জল পৰিবহন বিভাগে কেন্দ্ৰীয় অভ্যন্তৰীণ জলপথ প্ৰাধিকৰণৰ সহযোগত ২৫ অক্টোবৰৰ পৰা খনন কাৰ্য অব্যাহত ৰাখিছে। ড্ৰেজাৰেৰে বালিচৰ খন্দা অংশৰে নদীখনৰ উপখুঁটিৰ পানীৰ ধাৰৰ প্ৰাবল্য বৃদ্ধি হোৱাকৈ বাঁহ পুতি বাণ্ডলিং কৰাৰ কামো পূৰ্ণ গতিত অব্যাহত আছে বুলি বিভাগে প্ৰকাশ কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আইনৰ অধীনত কোনো লোকক ডিজিটেল এৰেষ্ট কৰাৰ কোনো ব্যৱস্থা নাই বুলি প্ৰকাশ কৰিছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ ১১৫ সংখ্যক খণ্ডৰ যোগেদি ৰাষ্ট্ৰক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে ডিজিটেল এৰেষ্টৰ নামত চলা এনে ধৰণৰ প্ৰৱঞ্চনা ৰোধ কৰাৰ বাবে সকলো তদন্তকাৰী সংস্থাই একেলগে কাম কৰি আছে। প্ৰধানমন্ত্ৰীয়ে কয় যে, সকলো শ্ৰেণী আৰু বয়সৰ লোক ডিজিটেল এৰেষ্টৰ বলি হৈছে আৰু ভয়ৰ বাবেই তেওঁলোকে লাখ লাখ টকাৰ লোকচান ভৰিবলগীয়া হৈছে। প্ৰধানমন্ত্ৰীয়ে এনেধৰণৰ প্ৰৱঞ্চনামূলক ফোন লাভ কৰিলে ভীতিগ্ৰস্ত নহ'বলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

০০০০০০০০

চিৰাং জিলাৰ ঐতিহ্যমণ্ডিত বিজনী শ্ৰী শ্ৰী লক্ষ্মী পূজা আৰু মেলা মহোৎসৱৰ কালি সামৰণি পৰে। যোৱা ১৬ অক্টোবৰৰ পৰা ৰজা বিজিত নাৰায়ণ সমন্বয়ক্ষেত্ৰত ১২ দিনীয়াকৈ অনুষ্ঠিত ১৩৩ সংখ্যক শ্ৰীশ্ৰীলক্ষ্মী পূজাৰ সামৰণি অনুষ্ঠানত বিটিচিৰ উপাধ্যক্ষ অভিৰাম মহানায়ক, বিটিচিৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দে'ৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০০০০

চৰ্দাৰ বল্লভ ভাই পেটেলৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি আয়োজন কৰা একতাৰ দৌৰ ৩১ অক্টোবৰৰ পৰিৱৰ্তে কাইলৈ অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি এই কথা ঘোষণা কৰি কয় যে এইবাৰ ৩১ অক্টোবৰত চৰ্দাৰ পেটেলৰ জন্মবাৰ্ষিকী দীপাৱলী উৎসৱৰ সৈতে একে সময়তে হোৱাৰ বাবে একতাৰ দৌৰ কাইলৈ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে দেশবাসীক দলে-বলে ওলাই আহি এই দৌৰত অংশগ্ৰহণ কৰি দেশৰ ঐক্যৰ মন্ত্ৰৰ লগতে সুস্বাস্থ্যৰ মন্ত্ৰক সকলোৰে মাজত বিয়পাই দিবলৈ আহ্বান জনায়। অৱশ্যে লৌহ মানৱগৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে ৰাষ্ট্ৰীয় একতা দিৱসৰ প্ৰতিজ্ঞা গ্ৰহণৰ কাৰ্যসূচী প্ৰতিবছৰৰ দৰে ৩১ অক্টোবৰত পালন কৰা হ'ব।

০০০০০০০

ৰাজ্য চৰকাৰৰ প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ অধীনত সদ্যসমাপ্ত তৃতীয় আৰু চতুৰ্থবৰ্গৰ পৰীক্ষাৰ ফলাফল অহা ফেব্ৰুৱাৰী মাহত ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা সন্দৰ্ভত কালি এখন সংবাদমেল সম্বোধন কৰে। ১০ মে'ত ৰাজ্যৰ ৩৫ হাজাৰ যুৱক-যুৱতীক নিযুক্তি দিয়া হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

উল্লেখযোগ্য যে তৃতীয় আৰু চতুৰ্থবৰ্গৰ নিযুক্তি পৰীক্ষাৰ কেন্দ্ৰসমূহত আৰক্ষী তথা নিৰীক্ষকসকলে ত্ৰুটি অবিহনে দায়িত্ব পালন কৰাৰ কথা উল্লেখ কৰে। আনহাতে, এইবাৰৰ পৰীক্ষাত ভুল উত্তৰৰ বাবে নিগেটিভ নম্বৰ প্ৰদানৰ ব্যৱস্থা কৰা হৈছে বুলি সংবাদ মেলত মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তৃতীয় আৰু চতুৰ্থবৰ্গৰ নিযুক্তি পৰীক্ষাৰ কেন্দ্ৰসমূহত আৰক্ষী তথা নিৰীক্ষকসকলে ত্ৰুটি অবিহনে দায়িত্ব পালন কৰাৰ কথা উল্লেখ কৰে।

০০০০০০০

**সমাপ্ত**